# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে মণিপুৰলৈ যাব।

২। ৰাজ্যসভাই আজি UNESCO-ৰ মানৱতাৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ তালিকাত দীপাৱলীৰ অন্তৰ্ভুক্তিৰ বিষয়টোৰ শলাগ লয়।

৩। পেট্ৰ'লত ২০ শতাংশ ইথানল মিশ্ৰণৰ ফলত দেশত কাৰ্বন-ডাই-অক্সাইডৰ নিৰ্গমন ৭৩৬ লাখ মেট্ৰিকটনলৈ হ্ৰাস পাইছে বুলি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে।

৪। ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত প্ৰণৱ মুখাৰ্জীৰ জন্মবাৰ্ষিকীত তেওঁলৈ শ্ৰদ্ধা জনাইছে।

আৰু

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি মুল্লানপুৰত অনুষ্ঠিত হ'ব।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে মণিপুৰলৈ যাব। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে কেইবাটাও উন্নয়নমূলক কাৰ্যসূচীত অংশ ল'ব।

শ্ৰীমতী মুৰ্মুক আজি ইম্ফলত পৰম্পৰাগতভাৱে সন্মান প্ৰদৰ্শনেৰে আদৰণি জনোৱা হ'ব। ইয়াৰ পাছত তেওঁ ঐতিহাসিক মাপল কাংজেইবুঙত এখন প্ৰদৰ্শনীমূলক পল' খেল প্ৰত্যক্ষ কৰিব। বিয়লিৰ ভাগলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে মণিপুৰ চৰকাৰে ইম্ফলৰ চিটী কনভেন্সন চেণ্টাৰত আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানত ভাগ ল'ব। আঞ্চলিক বিকাশৰ প্ৰতি থকা চৰকাৰৰ নিৰলস লক্ষ্যক প্ৰকাশ কৰিবলৈ তেওঁ ভ্ৰমণকালত বিভিন্ন আধাৰশিলা স্থাপন কৰাৰ লগতে ভালেকেইটা উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব।

কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে ইম্ফলত থকা নুপি লাল স্মাৰক পৰিসৰ পৰিদৰ্শন কৰিব আৰু ৰাজ্যখনলৈ ঐতিহাসিক অৱদান আগবঢ়োৱা সাহসী মহিলা যোদ্ধাসকলৰ প্ৰতি সন্মান যাঁচিব। ইয়াৰ পাছত তেওঁ সেনাপতিত এখন জনসভাত অংশ ল'ব আৰু জিলাখনৰ উন্নয়ন ত্বৰান্বিত কৰিবলৈ বিভিন্ন আধাৰশিলা স্থাপন কৰাৰ লগতে প্ৰকল্প মুকলি কৰিব।

ooooooo

ৰাজ্যসভাই আজি UNESCO-ৰ মানৱতাৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ তালিকাত দীপাৱলীৰ অন্তৰ্ভুক্তিৰ বিষয়টোক প্ৰশংসা কৰে। ৰাজ্যসভাৰ সভাপতি উপ ৰাষ্ট্ৰপতি তথা চি পি ৰাধাকৃষ্ণণে এয়া দেশৰ বাবে অতি গৌৰৱৰ মুহূৰ্ত বুলি উল্লেখ কৰে। তেওঁ কয়, যে দীপাৱলী কেৱল এটা উৎসৱেই নহয়, বৰঞ্চ ই আন্ধাৰ নাশি পোহৰৰ জয় আৰু অজ্ঞানতা নেওচি জ্ঞানক প্ৰতিনিধিত্ব কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এই সাফল্যই

জনাধাৰণক দেশৰ বৰ্ণাঢ্য সংস্কৃতি আৰু পৰম্পৰাক উদযাপন কৰি সেইসমূহৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

(বাইট)

উল্লেখযোগ্য যে ভাৰতৰ প্ৰধান সাংস্কৃতিক আৰু আধ্যাত্মিক উৎসৱসমূহৰ অন্যতম দীপাৱলীক কালি ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা UNESCO-ৰ মানৱতাৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিনিধি তালিকাত অন্তৰ্ভুক্ত কৰা হয়। নতুন দিল্লীৰ লালকিল্লাত অনুষ্ঠিত বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষাৰ বাবে থকা আন্তঃচৰকাৰী সমিতিৰ বিংশ অধিৱেশনত ১৯৪ খন সদস্যৰাষ্ট্ৰ, আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞ আৰু ইউনেস্ক'ৰ প্ৰতিনিধিৰ উপস্থিতিত দীপাৱলীক এই তালিকাত অন্তৰ্ভুক্ত কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে UNESCO-ৰ এই স্বীকৃতিক আদৰণি জনাই কয়, যে ভাৰতৰ সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে দীপাৱলী উৎসৱ গভীৰভাৱে সংপৃক্ত হৈ আছে আৰু এই উৎসৱে আমাৰ সভ্যতাৰ আত্মাক প্ৰতিনিধিত্ব কৰে।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰয়াত কবি সুব্ৰমণিয় ভাৰতীৰ জন্মবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। শ্ৰী ৰাধাকৃষ্ণণে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে মহাকবি ভাৰতীয়ে তেওঁৰ কবিতাত দেশপ্ৰেম, সমতা আৰু মৰ্যাদাৰ বিষয়ে উল্লেখেৰে প্ৰজন্ম ধৰি অনুপ্ৰাণিত কৰি আহিছে। কবিগৰাকীৰ শক্তিশালী শব্দ আৰু প্ৰগতিশীল চিন্তাধাৰাই প্ৰতিটো প্ৰজন্মৰ মাজত দেশপ্ৰেমৰ ভাৱনা জগাই আহিছে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও তেওঁৰ বাৰ্তাত সুব্ৰমণিয় ভাৰতীয়ে তেওঁৰ কাব্যৰ জৰিয়তে অগণন মানুহৰ মনত সাহস যোগাই আহিছে বুলি উল্লেখ কৰে। তেওঁ লগতে তামিল সাহিত্যলৈ কবি গৰাকীৰ অৱদান অসামান্য বুলি প্ৰকাশ কৰে।

০০০০০০০০০

পেট্ৰ'লত ২০ শতাংশ ইথানল মিহলোৱাৰ ফলস্বৰূপে ভাৰতত কাৰ্বন-ডাই-অক্সাইড নিৰ্গমন ৭৩৬ লাখ মেট্ৰিকটনলৈ হ্ৰাস পাইছে বুলি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। লোকসভাৰ প্ৰশ্নকালত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰী গাডকাৰীয়ে কয়, যে ইথানল হৈছে সেউজ ইন্ধন আৰু ই প্ৰদূষণ হ্ৰাস কৰাৰ লগতে কৃষকৰ আয় বৃদ্ধিত সহায় কৰে। তেওঁ কয়, যে ভাৰতে সম্প্ৰতি বছৰি প্ৰায় ১২ লাখ কোটি টকাৰ জৈৱিক ইন্ধন আমদানি কৰে। এখন উন্নত ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'বলৈ হ'লে জৈৱিক ইন্ধন আমদানি ব্যয় হ্ৰাস কৰাটো প্ৰয়োজন বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত প্ৰণৱ মুখাৰ্জীৰ জন্মবাৰ্ষিকীত তেওঁলৈ শ্ৰদ্ধা জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশৰ ত্ৰয়োদশ ৰাষ্ট্ৰপতিগৰাকীৰ জন্মবাৰ্ষিকী উপলক্ষে ৰাষ্ট্ৰপতি ভৱনত তেওঁৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পণ কৰে।

এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোডীয়ে বিচক্ষণ ৰাজনীতিবিদ আৰু প্ৰচুৰ জ্ঞানসমৃদ্ধ ব্যক্তি হিচাপে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীক প্ৰশংসা কৰে। তেওঁ কয়, যে প্ৰণৱ মুখাৰ্জীয়ে দশকজুৰি সমৰ্পণৰ মনোভাৱেৰে

দেশৰ প্ৰতি সেৱা আগবঢ়াইছিল। শ্ৰীমুখাৰ্জীৰ বুদ্ধিমত্তা আৰু চিন্তাৰ স্পষ্টতাই দেশৰ গণতন্ত্ৰক প্ৰতিটো খোজতে সমৃদ্ধ কৰি গৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই এটা বাৰ্তাত কয়, যে শ্ৰীমুখাৰ্জীৰ জীৱন আৰু কামে দেশৰ গণতান্ত্ৰিক যাত্ৰাক সদায় অনুপ্ৰাণিত কৰি যাব।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰয়াত কবি সুব্ৰমণিয় ভাৰতীৰ জন্মবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। শ্ৰী ৰাধাকৃষ্ণণে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে মহাকবি ভাৰতীয়ে তেওঁৰ কবিতাত দেশপ্ৰেম, সমতা আৰু মৰ্যাদাৰ বিষয়ে উল্লেখেৰে প্ৰজন্ম ধৰি অনুপ্ৰাণিত কৰি আহিছে। কবিগৰাকীৰ শক্তিশালী শব্দ আৰু প্ৰগতিশীল চিন্তাধাৰাই প্ৰতিটো প্ৰজন্মৰ মাজত দেশপ্ৰেমৰ ভাৱনা জগাই আহিছে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও তেওঁৰ বাৰ্তাত সুব্ৰমণিয় ভাৰতীয়ে তেওঁৰ কাব্যৰ জৰিয়তে অগণন মানুহৰ মনত সাহস যোগাই আহিছে বুলি উল্লেখ কৰে। তেওঁ লগতে তামিল সাহিত্যলৈ কবি গৰাকীৰ অৱদান অসামান্য বুলি প্ৰকাশ কৰে।

০০০০০০০০০

শক্তি হৈছে অৰ্থনীতিৰ জীৱনৰেখা আৰু ভাৰতৰ শক্তিৰ ব্যৱহাৰ ক্ষিপ্ৰতাৰে বৃদ্ধি পাইছে বুলি পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। লোকসভাৰ প্ৰশ্নকালত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ ক্ৰমান্বয়ে বৰ্ধিত অৰ্থনীতিৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃৰাষ্ট্ৰীয় শক্তি সংস্থা, আই ই এ অহা ২০ বছৰত প্ৰায় ৩৫ শতাংশ গোলকীয় শক্তিৰ চাহিদা বৃদ্ধি পাব বুলি অনুমান কৰিছে। তেওঁ কয়, যে ভাৰতে শক্তিৰ আমদানি ক্ষেত্ৰত প্ৰতিবছৰে প্ৰায় ১৫০ বিলিয়ন ডলাৰ খৰচ কৰি আহিছে। শক্তিৰ আমদানিৰ ক্ষেত্ৰত ব্যয়সমূহ উৎপাদন ব্যয়, বীমা ব্যয় আদিকে ধৰি বিভিন্ন দিশৰ ওপৰত নিৰ্ভৰশীল বুলি শ্ৰী পুৰীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

নাবাৰ্ডৰ শেহতীয়া সমীক্ষাত বিগত বৰ্ষত গ্ৰাম্য জীৱনত আয় বৃদ্ধি আৰু পৰিয়ালসমূহৰ কল্যাণৰ উন্নতিৰ ইংগিত পোৱা গৈছে বুলি বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ তথ্য অনুসৰি বিগত বৰ্ষৰ তুলনাত ৮০ শতাংশ গ্ৰাম্য পৰিয়ালে উপভোক্তা সামগ্ৰীক অধিক ব্যয় কৰিছে। সমীক্ষাত দেখা গৈছে যে, মাহিলী আয়ৰ ৬৭ দশমিক ৩ শতাংশই উপভোক্তা সামগ্ৰী ক্ৰয়ত ব্যয় কৰা হৈছে। সমীক্ষাটোত ৪২ দশমিক ২ শতাংশ গ্ৰাম্য পৰিয়ালৰ আয় বৃদ্ধি হৈছে বুলি প্ৰকাশ কৰা হয়। ৭৫ দশমিক ৯ শতাংশ লোকে অহা বছৰ আয় বৃদ্ধি আশা কৰিছে বুলি সমীক্ষাটোত কোৱা হয়। উল্লেখযোগ্য যে, দেশত প্ৰতি দুমাহৰ মূৰে মূৰে নাবাৰ্ডে এই সমীক্ষা চলায়।

০০০০০০০০০

দেশত অসামৰিক বিমান পৰিবহন সেৱাত উদ্ভৱ হোৱা সমস্যাসমূহৰ খৰটকীয়া নিষ্পত্তি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। দেশজুৰি ইণ্ডিগ’ বিমান সেৱা পৰ্যবেক্ষণ কৰি অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুৱে মন্ত্ৰালয়ৰ নিয়ন্ত্ৰণ কক্ষ পৰিদৰ্শন কৰি এই মন্তব্য কৰে। শ্ৰীনাইডুৱে কয়, যে যাত্ৰীসকলৰ ওজৰ-আপত্তি বাস্তৱ সন্মত সমাধানৰ বাবে দৈনন্দিন নিৰীক্ষণ কৰি থকা হৈছে। তেওঁ লগতে কয়,

যে নিয়ন্ত্ৰণ কক্ষৰ দলটোৱে যাত্ৰীসকলৰ অভিযোগ নিষ্পত্তিৰ বাবে ফলপ্ৰসু আৰু সময়োপযোগী প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০০০০০

তামিলনাডুৰ পৰিবেশ জলবায়ু পৰিবৰ্তন আৰু বন বিভাগৰ অতিৰিক্ত মুখ্য সচিব শ্ৰীমতী সুপ্ৰিয় চাহুৱে ৰাষ্ট্ৰ সংঘৰ পৰিবেশ কাৰ্যসূচীৰ চলিত বৰ্ষৰ চেম্পিয়নছ অব দ্যা আৰ্থ বঁটা লাভ কৰিছে। ৰাষ্ট্ৰ সংঘৰ পৰিবেশ কাৰ্যসূচীয়ে কয় যে, শ্ৰীমতী চাহুক তেওঁৰ অনুপ্ৰেৰণামূলক পদক্ষেপসমূহৰ বাবে নিৰ্বাচিত কৰা হয়। সেউজ গৃহ গেছ নিৰ্গমণ হ্ৰাস কৰি নিম্ন আৰু উচ্চ প্ৰযুক্তি হস্তক্ষেপসমূহৰ সৈতে সংহত প্ৰশাসন আৰু প্ৰকৃতি ভিত্তিক সমাধানসমূহে কেনেদৰে পিছপৰা সম্প্ৰদায়সমূহক সুৰক্ষা প্ৰদান কৰে তাক প্ৰদৰ্শন কৰিবলৈ তেওঁ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নিউ চণ্ডীগড়ৰ মুল্লানপুৰত থকা মহাৰাজা যাদবিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

এয়া হ'ব মুল্লানপুৰত পুৰুষৰ প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেল। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা মঙলবাৰে কটকত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত আলহী দলটোক ১০১ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে ১-০ ফলাফলেৰে অগ্ৰগতি লাভ কৰিছে। ভাৰতীয় দলটোৱে আজিৰ খেলখনতো জয়ৰ ধাৰা অব্যাহত ৰখাৰ বাবে আপ্ৰাণ প্ৰয়াস চলাব।

শৃংখলাৰ তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিমখন খেল আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০০

সমাপ্ত